# সংবিধান

## সদৌ অসম পথাৰ পৰিচালনা সমিতি

**১৮৬০ চনৰ সমিতি পঞ্জীয়ন আইন XXI অনুসৰি ১৯৯৪-৯৫ চনৰ ১৪৫ নম্বৰত পঞ্জীয়নভুক্ত**

## কাৰ্যালয়

কৃষি বিভাগ চৌহদ, উলুবাৰী
উলুবাৰী, গুৱাহাটী-৭৮১০০৭
অসম
ফোন : ২৪৫৬৬৬৭

# সদৌ অসম পথাৰ পৰিচালনা সমিতিৰ সংবিধান
## (সঃ অঃ পঃ পঃ সঃ)

| | | | |
|---|---|---|---|
| ১। | সমিতিৰ নাম | ঃ | সদৌ অসম পথাৰ পৰিচালনা সমিতি |
| ২। | জন্মৰ তাৰিখ | ঃ | ইং ১১-৪-৯৩ চন। |
| ৩। | সম্পাদনা ক্ষেত্ৰ | ঃ | সমগ্ৰ অসমখনত এই সমিতিৰ কৰ্তৃত্ব থাকিব। |
| ৪। | কাৰ্যালয় | ঃ | সদৌ অসম পথাৰ পৰিচালনা সমিতিৰ পঞ্জীয়নভুক্ত কাৰ্যালয়, উলুবাৰী, গুৱাহাটী-৭ |
| ৫। | প্ৰতীক | ঃ | ঘূৰণীয়া আকৃতিৰ চক্ৰৰ মাজত পুৰুষ মহিলা কৃষকে হাতত একোছা ধান লৈ থাকিব। |
| ৬। | পতাকা | ঃ | গোটেই ৰাজ্যৰ সকলো স্তৰৰ পথাৰ পৰিচালনা সমিতিৰ প্ৰযোজ্য হোৱাকৈ সেউজীয়া ৰঙৰ কাপোৰৰ মাজত প্ৰতীক চিহ্নসহ সদৌ অসম পথাৰ পৰিচালনা সমিতি লিখা থাকিব। |
| ৭। | উদ্দেশ্য ও লক্ষ্য | ঃ | সদৌ অসম পথাৰ পৰিচালনা সমিতিৰ উদ্দেশ্যবোৰ হ'ল - |

(ক) পথাৰ পৰিচালনা সমিতি হ'ল এটা অৰাজনৈতিক বেচৰকাৰী (NGO) সংস্থা। এই সংগঠনে সদায়ে ৰাজনীতিৰ উৰ্দ্ধত থাকি ইয়াৰ নীতি আদৰ্শ মানি কাম-কাজ কৰি যাবলৈ যত্নবান হোৱাটো বাঞ্চনীয়।

(খ) সদৌ অসম পথাৰ পৰিচালনা সমিতিৰ অধীনত ৭০-১০০ জন বা অধিক খেতিয়কক বিশেষকৈ ক্ষুদ্ৰ আৰু উপান্ত খেতিয়কক তেওঁলোকৰ ক্ষুদ্ৰ আৰু সিচঁৰিত কৃষি উপযোগী মাটি বিলাকক ৬৭-১০০ হেক্টৰ বা অধিকতৰ একোটা একত্ৰিত এলেকাত সামৰি খেতিয়কক তথা ৰাজ্যখনৰ খেতিয়কসকলক সংগঠিত কৰাটো এই সমিতিৰ উদ্দেশ্য।

(গ) বহুমুখী আৰু একত্ৰিত কৃষি পদ্ধতিৰ অধীনত অঞ্চলটোৰ কৃষিভিত্তিক উন্নয়নৰ কাৰ্য্য কৌশলৰ ওপৰত নিৰ্ভৰ কৰি খেতিয়কসকলৰ ব্যৱসায়ৰ পৰিকল্পনা কৰা।

(ঘ) সদস্যসকললৈ সকলো ধৰণৰ ঋণ সাহায্যৰ ব্যৱস্থা কৰি দিয়া।

(ঙ) সকলো ধৰণৰ খেতিয়ক, কৃষিৰ ওপৰত নিৰ্ভৰশীল শ্ৰমিক, গাঁৱলীয়া কাৰিকৰ, গ্ৰাম্য সেৱাত নিয়োজিত লোকলৈ সদস্যভুক্তি মুকলি ৰখা।

(চ) কৃষি উন্নয়নৰ কাৰ্য্যসূচী ৰূপায়ণ আৰু পৰিচালনাত গ্ৰাম্য সমাজৰ দুৰ্বল শ্ৰেণীৰ হকে নিৰ্ণায়ক আৰু সিদ্ধান্তকাৰী ভূমিকা পালন কৰা।

(ছ) আৰ্থিক আৰু বস্তুগত উৎস সমূহৰ সদ ব্যৱহাৰ সুনিশ্চিত কৰিবলৈ ইয়াৰ সদস্যসকললৈ কাৰিকৰী আৰু ব্যৱসায় সম্প্ৰসাৰণ সেৱা আগবঢ়োৱা।

(জ) গাঁৱৰ দুখীয়া কৃষকসকল আৰু নিৱনুৱা যুৱক-যুৱতীসকলৰ দ্বাৰা আত্মসহায়ক গোট গঠন কৰি অৰ্থৰ বিনিময়ৰ যোগেদি মূলধন আহৰণ কৰাৰ লগতে স্বনিৰ্ভৰশীলতা অৰ্জন কৰা।

(ঝ) দুখীয়া কৃষক পৰিয়ালৰ লোকসকল আৰু নিৰনুৱা যুৱক-যুৱতীসকলৰ দ্বাৰা আশ্ৰিত বৰ্গ গঠন কৰাৰ লগতে কৃষি, মীন, পশুপালন আৰু অন্যান্য দিশত উৎপাদন বৃদ্ধিৰ জৰিয়তে বহুমুখী কৃষি আঁচনিৰ সুবিধা প্ৰদান যোগে স্ব-নিয়োজনৰ ব্যৱস্থা কৰা।

(ঞ) গাঁৱৰ কৃষক পৰিয়ালৰ লোকসকলৰ দ্বাৰা গোট গঠন কৰি বছৰৰ যিকোনো সময়তে পথাৰৰ এৰি দিয়া গৰু-ম'হৰ উপদ্ৰৱৰ পৰা খেতি কাৰ্য্য কৰাত বাধা সৃষ্টি নহয়, তাৰ বাবে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰা।

(ট) সদস্যসকলে নিজে ব্যৱহাৰ কৰিবলৈ উন্নত জাতৰ বীজ উৎপাদনৰ বাবে আগ্ৰহান্বিত কৰা আৰু অতিৰিক্ত বীজ অন্য কৃষকক বিক্ৰীৰ বাবে ব্যৱস্থা কৰা।

(ঠ) কৃষকে যাতে বীজ, সাৰ, কীটনাশক, দৰৱ, ট্ৰেক্টৰ, পাৱাৰ টিলাৰ, পাম্পচেট আদি কৃষি সামগ্ৰীবোৰ সহজতে পাব পাৰে তাৰ বাবে পথাৰ পৰিচালনা সমিতিয়ে নিজে ব্যৱস্থা গ্ৰহণ কৰা।

(ড) কৃষি আৰু গাওঁ উন্নয়নৰ অৰ্থে বেংক আৰু অন্যান্য বিত্তীয় সংস্থাৰ পৰা ঋণ আদায়ৰ বাবে উপযুক্ত পদক্ষেপ গ্ৰহণ কৰাৰ লগতে বিত্তীয় সঠিক সময়ত সদস্যসকলৰ জৰিয়তে ঋণ পৰিশোধ কৰা।

(ঢ) অৰ্থ সাহায্য প্ৰদান কৰা বেংক আৰু চৰকাৰী প্ৰতিনিধিসকলৰ পৰা উপদেশ গ্ৰহণৰ ব্যৱস্থা কৰা আৰু তেখেতসকলৰ দ্বাৰা পৰিদৰ্শনৰ ব্যৱস্থা কৰা।

(ণ) শিক্ষা, ক্ৰীড়া, স্বাস্থ্য, কলা-সংস্কৃতি আৰু সমাজ সচেতনতাৰ সুস্থ পৰিবেশ গঢ়ি তোলা।

(ত) ছাত্ৰাৱস্থাৰ পৰা ছাত্ৰ-ছাত্ৰীসকলক আধুনিক বৈজ্ঞানিক দৃষ্টিভঙ্গীৰে কৃষি অনুৰাগী কৰি তোলাত শিক্ষানুষ্ঠানসমূহৰ লগত সহযোগিতা কৰা।

(থ) বানপানী, খৰাং বতৰ আদি প্ৰাকৃতি দুৰ্য্যোগৰ কবলত পৰা দুৰ্গত খেতিয়কসকলক সহায় কৰা।

## ২ য় অনুচ্ছেদ

৮। সমিতি গঠন প্ৰক্ৰিয়া ঃ

(ক) গাওঁ পৰ্যায়ৰ সমিতি ঃ নিৰ্দ্দিষ্ট গাঁৱৰ পৰিসীমাই সামৰা পথাৰকলৈ ভৰ্ত্তি হোৱা সদস্যসকললৈ গাওঁ বা প্ৰাথমিক সমিতি গঠন হ'ব।

(খ) উন্নয়ন খণ্ড পৰ্যায়ৰ সমিতি ঃ গাওঁ সমিতিসমূহৰ সভাপতি সম্পাদক নাইবা প্ৰতিনিধিক লৈ সাধাৰণ সভা অনুষ্ঠিত কৰি উন্নয়ন খণ্ড পৰ্যায়ৰ সমিতি গঠন হ'ব।

(গ) জিলা পৰ্যায়ৰ সমিতি গঠন ঃ একোখন জিলাই সামৰা প্ৰতিটো উন্নয়ন খণ্ডৰ খণ্ড পৰ্যায়ৰ সমিতিক লৈ জিলা পথাৰ পৰিচালনা সমিতি গঠন হ'ব।

(ঘ) সদৌ অসম পথাৰ পৰিচালনা সমিতি ঃ জিলা পৰ্যায়াৰ সমিতিসমূহক লৈ সদৌ অসম পথাৰ পৰিচালনা সমিতি গঠিত হ'ব।

## ৩ য় অনুচ্ছেদ

১। সাধাৰণ সভা সমিতি গঠন ব্যৱস্থা ঃ

প্ৰতিখন গাওঁ পৰ্য্যায়ত সাধাৰণ সভাৰ জৰিয়তে ১৫ জনীয়া একোখন কাৰ্য্যনিৰ্বাহক সমিতি গঠন কৰিব। সমিতিৰ বিষয়ববীয়াসকল -

(ক) গাওঁ পৰ্যায়ৰ সমিতি ঃ

| | | |
|---|---|---|
| ১। সভাপতি | - | ১ জন |
| ২। উপসভাপতি | - | ২ জন |
| ৩। সাধাৰণ সম্পাদক | - | ১ জন |
| ৪। সহঃ সম্পাদক | - | ১ জন |
| ৫। সাংগঠনিক সম্পাদক | - | ১ জন |
| ৬। কাৰ্যালয় সম্পাদক | - | ১ জন |
| ৭। সদস্য /সদস্যা | - | ৮ জন |
| **মুঠ** | | **১৫** জন |

প্ৰতিখন গাওঁ পৰ্যায়ৰ সমিতিৰ সভাপতি / সম্পাদকসকলক লৈ খণ্ড উন্নয়ন পৰ্যায়ৰ সাধাৰণ সভা অনুষ্ঠিত কৰি ১৫ জনীয়া কাৰ্য্যনিৰ্বাহকৰ সমিতি গঠন হ'ব।

(খ) উন্নয়ন খণ্ড পৰ্যায়ৰ পথাৰ পৰিচালনা সমিতি ঃ

| | | |
|---|---|---|
| ১। সভাপতি | - | ১ জন |
| ২। উপসভাপতি | - | ২ জন |
| ৩। সাধাৰণ সম্পাদক | - | ১ জন |
| ৪। সহঃ সম্পাদক | - | ১ জন |
| ৫। সাংগঠনিক সম্পাদক | - | ১ জন |
| ৬। কাৰ্যালয় সম্পাদক | - | ১ জন |
| ৭। সদস্য /সদস্যা | - | ৮ জন |
| **মুঠ** | | **১৫** জন |

প্ৰতিখন উন্নয়ন পৰ্যায়ৰ সমিতিৰ পৰা সভাপতি / সম্পাদক সহঃ ৫ জন সদস্যকলৈ জিলা সাধাৰণ সভা গঠিত হ'ব। এই ৫ জন সদস্যৰ ভিতৰত কমেও এগৰাকী মহিলা সদস্যা থাকিব লাগিব। উক্ত সাধাণণ সভাৰ পৰা ২১ জনীয়া সদস্যৰে জিলা পথাৰ পৰিচালনা সমিতিখন গঠন কৰা হ'ব। জিলা সমিতিত প্ৰচাৰ সম্পাদক এজন থাকিব।

(গ) জিলা পৰ্যায়ৰ পথাৰ পৰিচালনা সমিতি ঃ

| | | |
|---|---|---|
| ১। সভাপতি | - | ১ জন |
| ২। উপসভাপতি | - | ২ জন |
| ৩। সাধাৰণ সম্পাদক | - | ১ জন |
| ৪। সহঃ সম্পাদক | - | ১ জন |
| ৫। সাংগঠনিক সম্পাদক | - | ৩ জন |
| ৬। প্ৰচাৰ সম্পাদক | - | ১ জন |
| ৭। কাৰ্যালয় সম্পাদক | - | ১ জন |
| ৮। সদস্য /সদস্যা | - | ১১ জন |
| **মুঠ** | | **২১** জন |

প্ৰতিখন জিলা পথাৰ পৰিচালনা সমিতিৰ পৰা সভাপতি / সম্পাদকসহ ৫ জনকৈ সদস্যৰে সদৌ অসম পথাৰ পৰিচালনা সমিতিৰ সাধাৰণ সভা গঠিত হ'ব। আৰু উক্ত সাধাৰণ সভাই ৪৭ জনীয়া সদস্য বিশিষ্ট সদৌ অসম পৰিচালনা সমিতিৰ কাৰ্য্যনিৰ্বাহক কমিতি গঠিত কৰিব।

(ঘ) সদৌ অসম পথাৰ পৰিচালনা সমিতি ঃ

| | | |
|---|---|---|
| ১। সভাপতি | - | ১ জন |
| ২। উপসভাপতি | - | ৫ জন |
| ৩। সচিব প্ৰধান | - | ১ জন |
| ৪। স্পাদক | - | ৫ জন |
| ৫। প্ৰচাৰ সম্পাদক | - | ১ জন |
| ৭। কাৰ্যালয় সম্পাদক | - | ১ জন |
| ৮। সদস্য /সদস্যা | - | ৩৩ জন |
| **মুঠ** | | ৪৭ জন |

(ঙ) সদৌ অসম পথাৰ পৰিচালনা সমিতিৰ ৪৭ জনীয়া সদস্যৰ উপৰিও ৫ জন সদস্য বিশিষ্ট এখন উপদেষ্টা সমিতি থাকিব। ইয়াৰে এজন মুখ্য উপদেষ্টা (Chief Advisor) হিচাবে মনোনীত হ'ব আৰু মুখ্য উপদেষ্টাজনে সমিতিৰ হৈ যিকোনো কাম কৰিবৰ ক্ষমতা থাকিব।

(চ) সদৌ অসম পথাৰ পৰিচালনা সমিতিৰ কাৰ্য্যনিৰ্বাহকৰ সমিতিৰ পৰা প্ৰয়োজন সাপেক্ষে ১১ জনীয়া কৰ্ণধাৰ সমিতি গঠন কৰিব পাৰিব।

(ছ) সমিতিৰ প্ৰতিটো পৰ্যায়তে কৃষি বিষয়ত অভিজ্ঞ ব্যক্তি / চৰকাৰী বিষয়া অৱসৰপ্ৰাপ্ত বিষয়া আদিক একোখন ৫-৭ জনীয়া পৰামৰ্শদাতা সমিতি গঠন কৰিব পাৰিব।

## ৪ ৰ্থ অনুচ্ছেদ

১। সদস্যভুক্তি আৰু বৰঙণি ঃ

(ক) যিকোনো ঠাইৰ নিজ এলেকাৰ পথাৰ পৰিচালনা সমিতিৰ বাবে ২.০০ (দুই) টকা ভৰ্ত্তি মাছুল আৰু ১০.০০ (দহ) টকা বাৰ্ষিক বৰঙণি সাপেক্ষে নিৰ্দ্দিষ্ট প্ৰ-পত্ৰ পূৰণ কৰি (১ নং প্ৰ-পত্ৰ মতে) খেতিয়ক / কৃষি নিৰ্ভৰশীল শ্ৰমিক / কাৰিকৰ আৰু গ্ৰাম্য সেৱা আগবঢ়োৱা লোকে নিজ এলেকাৰ পথাৰ পৰিচালনা সমিতিৰ সদস্যভুক্ত হ'ব পাৰে। এই সদস্যসকৰ কমেও ২৫ শতাংশ মহিলা হোৱা উচিত।

(খ) কোনো এখন পথাৰ পৰিচালনা সমিতি সদৌ অসম পথাৰ পৰিচালনা সমিতিৰ সদস্য ভুক্তি হ'বলৈ নাইবা স্বীকৃতি পাবলৈ ২৫.০০ (পচিঁশ) টকা ভৰ্ত্তি মাছুল আৰু ১০০.০০ (এশ) টকা বাৰ্ষিক বৰঙণি সাপেক্ষে নিদ্দিষ্ট প্ৰ-পত্ৰ পূৰণ কৰি (২ নং প্ৰ-পত্ৰমতে) গাওঁ পৰ্যায়ৰ পথাৰ পৰিচালনা সমিতি এখনে তাৰ লগত সম্পৰ্ক থকা খণ্ড উন্নয়ন পৰ্যায়ৰ / জিলা পথাৰ পৰিচালনা সমিতিয়ে সদৌ অসম পথাৰ পৰিচালনা সমিতিৰ সদস্যভুক্ত নাইবা স্বীকৃতপ্ৰাপ্ত হ'ব পাৰিব।

(গ) খণ্ড উন্নয়ন পৰ্যায়ৰ পথাৰ পৰিচালনা সমিতি এখন সদস্য ভুক্ত বা স্বীকৃত প্ৰাপ্ত হোৱাৰ যোগ্যতা।

(ঘ) ১০০.০০ (এশ) টকা অন্তৰ্ভূক্তকৰণ মাছুল আৰু ২০০.০০ (দুশ) টকা বাৰ্ষিক বৰঙণি সাপেক্ষে নিৰ্দ্ধাৰিত প্ৰ-পত্ৰ পূৰণ কৰি (৪ নং প্ৰ-পত্ৰমতে) জিলা পৰ্যায়ৰ পথাৰ পৰিচালনা সমিতি এখন সদৌ অসম পথাৰ পৰিচালনা সমিতিৰ অন্তৰ্ভূক্ত হ'ব পাৰে।

(ঙ) সদস্য ভৰ্ত্তি / বছৰেকীয়া বৰঙণি মাছুলৰ বিতৰণ ঃ

১। জিলা পৰ্যায়ৰ / উন্নয়ন খণ্ড পৰ্যায়ৰ পথাৰ পৰিচালনা সমিতিৰ অন্তৰ্ভূক্তকৰণ আৰু বাৰ্ষিক বৰঙণিৰ উপৰিও পথাৰ পৰিচালনা সমিতিৰ প্ৰত্যেক সদস্যৰ সদস্য ভৰ্ত্তিকৰণ মাছুলৰ ২.০০ (দুই) টকাৰ পৰা ১.০০ (এক) টকা সদৌ অসম পথাৰ পৰিচালনা সমিতিলৈ পঠাব লাগিব।

২। সদৌ অসম পথাৰ পৰিচালনা সমিতিলৈ জিলা সমিতিয়ে বাৰ্ষিক বৰঙণি / নবীকৰণৰ বৰঙণি আদি দিয়াৰ বাদে বাকী শতকৰা ৫০ শতাংশ খণ্ড উন্নয়ন সমিতিত থাকিব। বাকী ৫০ শতাংশ জিলা সমিতিয়ে ৩০ শতাংশ ৰাখি ২০ শতাংশ সদৌ অসম পথাৰ পৰিচালনা সমিতিলৈ পঠাব লাগিব।

৩। কৃষি তথা কৃষি সম্পৰ্কীয় থলুৱা দুৰ্বল শ্ৰেণীৰ হকে উন্নয়নমূলক কাম-কাজ কৰা যিকোনো অনুষ্ঠান প্ৰতিষ্ঠানে ৩ বছৰ বা আজীৱন সদস্যপদ লাভ কৰিব লাগিব। উক্ত সদস্যপদৰ মাছুল ৩ বছৰৰ বাবে ৩০০.০০ (তিনিশ) টকা আজীৱন সদস্যপদৰ বাবে ৫০০.০০ (পাঁচশ) টকা দিব লাগিব।

(চ) যিকোনো পৰ্যায়ৰ কাৰ্য্যনিৰ্বাহক সমিতিৰ বিষয়ববীয়া বা সদস্যবৃন্দ সক্ৰিয় ৰাজনীতিত জড়িত বা চৰকাৰী / বেচৰকাৰী অনুষ্ঠানৰ চাকৰিয়াল হ'ব নোৱাৰিব।

**৫ ম অনুচ্ছেদ**

১। (ক) সাধাৰণ সভা আৰু ইয়াৰ কাৰ্য্য পদ্ধতি ঃ

সদৌ অসম পথাৰ পৰিচালনা সমিতিৰ সাধাৰণ সভা বছৰেকত কমেও এবাৰকৈ অনুষ্ঠিত হ'ব লাগিব।

(খ) সাধাৰণ সভাৰ কাৰ্য্য-ক্ৰমণিকা ঃ

১। খেতিয়ক আৰু পথাৰ পৰিচালনা সমিতিসমূহৰ গুৰুত্বপূৰ্ণ বিষয়বোৰ আলোচনা কৰা আৰু প্ৰয়োজনীয় সিদ্ধান্ত গ্ৰহণ কৰা।

২। সদৌ অসম পথাৰ পৰিচালনা সমিতিৰ নতুন কাৰ্য্য নিৰ্বাহক সমিতি নিৰ্বাচন কৰা। এই ক্ষেত্ৰত সমিতিৰ সভাপতি / সচিব প্ৰধান পূৰ্ণ ব্যক্তিহে ধাৰাবাহিক হ'ব পাৰিব।

৩। জানুৱাৰী মাহত অনুষ্ঠিত বাৰ্ষিক সাধাৰণ সভাত সমিতিৰ হিচাব পৰীক্ষকৰ দ্বাৰা পৰীক্ষিত হিচাব প্ৰতি বছৰে সাধাৰণ সভাত দাখিল কৰিব লাগিব।

৪। সদস্যসকললৈ আগতীয়াকৈ প্ৰদান কৰা জাননীমৰ্মে সংবিধান সম্পৰ্কে আলোচনা কৰা।

৫। আভ্যন্তৰীণ হিচাপ পৰীক্ষক নিয়োগ কৰা আৰু তেওঁৰ পাৰিশ্ৰমিক নিৰ্দ্ধাৰণ কৰা।

২। সাধাৰণ সভা অনুষ্ঠিত কৰিবৰ বাবে প্ৰয়োজনীয় স্কুল ঃ

১/৩ অংশ সদস্যৰ উপস্থিতিত প্ৰতিখন পৰ্যায়ৰ পথাৰ পৰিচালনা সমিতিত সাধাৰণ সভা অনুষ্ঠিত কৰিব পৰা হ'ব।

৩। কাৰ্য্যনিৰ্বাহক সমিতিৰ নিৰ্বাচন প্ৰক্ৰিয়া ঃ

(ক) সদৌ অসম পথাৰ পৰিচালনা সমিতিৰ কাৰ্য্যনিৰ্বাহকৰ বাবে ঃ

১। প্ৰত্যেক জিলা পৰ্যায়ৰ পথাৰ পৰিচালনা সমিতিৰ সভাপতি / সম্পাদক বা যোগ্য যিকোনো ১ জন সদস্য সদৌ অসম পথাৰ পৰিচালনা সমিতিৰ কাৰ্য্যনিৰ্বাহক সমিতি সদস্য হ'ব পাৰিব। উক্ত সদস্যজন জিলা প্ৰতিনিধি হিচাপে জিলা সমিতিয়ে নিৰ্বাচক কৰি পঠাব লাগিব। এই ক্ষেত্ৰত কোনোবা জিলা সমিতিৰ সভাপতি / সম্পাদক বা বিষয়ববীয়া সদৌ অসম পথাৰ পৰিচালনা সমিতিৰ কাৰ্য্যনিৰ্বাহকৰ বিষয় বাবদ নিৰ্বাচিত হ'লে জিলা সমিতিৰ বিষয়বাব বাদ দিব লাগিব।

২। সদৌ অসম পথাৰ পৰিচালনা সমিতিৰ কাৰ্য্যনিৰ্বাহকে সদৌ অসম পথাৰ পৰিচালনা সমিতিৰ কাৰ্য্যালয় বিষয়ববীয়াসকলক নিৰ্বাচন কৰিব পাৰিব।

**বিঃদ্ৰঃ** খণ্ড উন্নয়ন পৰ্যায়ৰ /জিলা পৰ্যায়ৰ পথাৰ পৰিচালনা সমিতিত কাৰ্যনিৰ্বাহক সদস্যসকলৰ মাজৰ পৰা একোজনকৈ কাৰ্য্যালয় সম্পাদক মনোনীত কৰিব লাগিব।

## ৬ ষ্ঠ অনুচ্ছেদ

১। (ক) কাৰ্য্যনিৰ্বাহক সমিতিৰ কাম কাজ আৰু দায়িত্ব ঃ

প্ৰতিখন পথাৰ পৰিচালনা সমিতিৰ কাৰ্য্য নিৰ্বাহক সভা প্ৰতি ৩ মাহৰ অন্তৰে অন্তৰে এবাৰকৈ অনুষ্ঠিত হ'ব।

(খ) সদৌ অসম পথাৰ পৰিচালনা সমিতিয়ে জিলা / জিলা সমিতিয়ে উন্নয়ন খণ্ড / খণ্ড উন্নয়ন সমিতিয়ে গাওঁ পৰ্যায়ৰ সমিতিক চোৱা চিতা কৰিব লাগিব।

(গ) প্ৰতিটো স্তৰতে উৰ্দ্ধতম সমিতিৰ সিদ্ধান্ত, আঁচনি আদি কাৰ্য্যকৰী কৰিবলৈ যত্নবান হ'ব।

(ঘ) প্ৰতিটো স্তৰতে উৰ্দ্ধতম সমিতিলৈ বছৰেকীয়া হিচাব পত্ৰ দাখিল কৰিব লাগিব।

(ঙ) সদৌ অসম পথাৰ পৰিচালনা সমিতিয়ে নিয়োগ কৰা হিচাব পৰীক্ষকে যিকোনো সময়ত জিলা / ব্লক নাইবা গাওঁ পৰ্য্যায়ৰ সমিতিৰ হিচাপ পত্ৰ চাব পাৰিব।

(চ) জিলা ব্লক সমিতিসমূহৰ বছৰেকীয়া হিচাব চাৰ্টাৰ্ড একাউন্টটেন্টৰ দ্বাৰা পৰীক্ষা নিৰীক্ষণৰ দ্বাৰা প্ৰস্তুত কৰিব লাগিব।

## ৭ ম অনুচ্ছেদ

১। কাৰ্য্যনিৰ্বাহক সমিতিৰ কাৰ্য্যকাল আৰু ক্ষমতা ঃ

(ক) প্ৰতিখন কাৰ্য্যনিৰ্বাহক সমিতিৰ কাৰ্য্যকাল বছৰ হ'ব আৰু বছৰৰ মূৰে মূৰে সাধাৰণ সভা অনুষ্ঠিত কৰি সম্পাদকীয় প্ৰতিবেদনত জমা খৰছৰ পৰীক্ষিত হিচাব কাৰ্য্যনিৰ্বাহকৰ অনুমোদন সাপেক্ষে সাধাৰণ সভাত দাখিল কৰিব।

(খ) একেলেঠাৰিয়ে ৩ খন কাৰ্য্যনিৰ্বাহক সভাত যিকোনো বিষয়ববীয়া বা সদস্য অনুপস্থিত থাকিলে উক্ত সদস্যগৰাকীক কাৰ্য্যনিৰ্বাহকে কৈফিয়ৎ তলব কৰিব আৰু যথোপযুক্ত সদোত্তৰ নাপালে তেওঁৰ সদস্যপদ বাতিল কৰিব পাৰিব।
(গ) সংগঠনটোৰ নীতি আদৰ্শৰ বিৰোধিতা কৰি অন্যায় আচৰণ কৰা বা দুনীৰ্তিৰ অভিযোগ পালে সমিতিৰ যিকোনো বিষয়ববীয়া বা সদস্যকে কাৰ্য্যনিৰ্বাহকৰ অনুমোদনলৈ সদৌ অসম পথাৰ পৰিচালনা সমিতিলৈ জনাব আৰু সদৌ অসম পথাৰ পৰিচালনা সমিতিয়ে ইয়াক বিবেচনা কৰি যথাবিহীত ব্যৱস্থা গ্ৰহণ কৰিব পাৰিব। এই ক্ষেত্ৰত গাওঁ পৰ্য্যায়ৰ সমিতিৰ দায়িত্ব জিলা সমিতিৰ হাতত থাকিব।

২। হিচাব পৰীক্ষক ঃ কাৰ্য্যনিৰ্বাহক সমিতিয়ে কাৰ্য্যকালৰ বাবে যথোপযুক্ত হিচাব পৰীক্ষক পৰীক্ষক নিয়োগ কৰিব আৰু তেওঁ সমিতিৰ হিচাপ সমূহ বছৰৰ কমেও এবাৰ পৰীক্ষা কৰিব আৰু হিচাপৰ বাৰ্ষিক প্ৰতিবেদন সমিতিসমূহৰ পঞ্জীয়কৰ ওচৰত দাখিল কৰিব।

৩। আইনগত ব্যৱস্থা ঃ ১৮৬০ চনৰ সমিতিসমূহৰ পঞ্জীয়ন আইন ২১ ৰ ৬ নং পৰিচ্ছেদ অনুযায়ী সমিতিৰ সভাপতি /সচিব প্ৰধানৰ নামত সমিতিয়ে গোচৰ তৰিব নাইবা সমিতিৰ ওপৰত গোচৰ তৰিব পাৰিব

৪। সভা ভঙ্গকৰণ ঃ প্ৰয়োজন সাপেক্ষে সমিতিখন ভাঙি দিব পাৰিব আৰু ভঙ্গকৰণৰ পিছত অৱশিষ্ট সম্পত্তিসমূহ ১৮৬০ চনৰ সমিতি পঞ্জীয়ন আইন ২১, ১৩ আৰু ২৪ নং পৰিচ্ছেদত থকা ব্যৱস্থা অনুযায়ী হস্তান্তৰ হ'ব।

৫। সদস্যপদ বাতিলকৰণ ঃ পথাৰ পৰিচালনা সমিতিৰ সদস্যপদ বাতিল হ'ব যদি -
(ক) মৃত্যু ঘটে।
(খ) কোনো সদস্য বা সদস্যাৰ পদত্যাগ পত্ৰ সেই পথাৰ পৰিচালনা সমিতিয়ে গ্ৰহণ কৰিলে।
(গ) একেৰাহে ৩ বছৰ বাৰ্ষিক বৰঙণি আদায় নিদিলে। অৱশ্যে সদস্যপদৰ খাৰিজকৰণ হোৱা কোনো সদস্যৰ সকলোবোৰ বছৰেকীয়া অনাদায় ধন আদায় দিয়াৰ পিছত পুণৰ সদস্যপদ বাহাল ৰখাৰ বাবে বিবেচনা কৰা হ'ব।
(ঘ) যিকোনো পৰ্যায়ৰ সমিতিৰ সদস্য বা সদস্যাই পথাৰ পৰিচালনা সমিতিৰ পৰিপন্থী কাম-কাজ বা দুৰ্নীতিত জড়িত নাইবা সমাজ বিৰোধী কাম কৰাৰ প্ৰমাণ পালে।
(ঙ) কোনো পথাৰ পৰিচালনা সমিতিৰ খণ্ড উন্নয়ন পৰ্য্যায়ৰ পথাৰ পৰিচালনা সমিতিৰ অন্তৰ্ভূক্তিকৰণ, খণ্ড উন্নয়ন পৰ্য্যায়ৰ পথাৰ পৰিচালনা সমিতি জিলা সমিতিৰ অন্তৰ্ভুক্তিকৰণ আৰু জিলা সমিতি সদৌ অসম পথাৰ পৰিচালনা সমিতিৰ অন্তৰ্ভুক্তিকৰণ বাতিল হ'ব, যদিহে সেই সমিতিয়ে ১ ম জানুৱাৰীত দিব লগা বাৰ্ষিক বৰঙণি ৬ মাহলৈ আদায় নিদিয়ে। অৱশ্যে সদৌ অসম পথাৰ পৰিচালনা সমিতিৰ কাৰ্য্যনিৰ্বাহক / জিলা কাৰ্য্যনিৰ্বাহক / খণ্ড উন্নয়ন পৰ্য্যায়ৰ কাৰ্য্য নিৰ্বাহক সমিতিয়ে সমিতিলৈ আগতীয়াকৈ সদস্যপদ নাকচৰ জাননী জাৰি কৰাৰ আগতে টকা আদায় নিদিয়াৰ কাৰণ অনুসন্ধান কৰিব পাৰিব। অনুসন্ধানৰ পাছত সন্তুষ্ট হ'লে সদৌ অসম পথাৰ পৰিচালনা সমিতিৰ কাৰ্য্যনিৰ্বাহক সমিতিয়ে বাকী দিবলৈ থকা পথাৰ পৰিচালনা সমিতিৰ অনুৰোধ ক্ৰমে টকা আদায়ৰ সময় ৬ মাহলৈ বৃদ্ধি কৰিব পাৰিব। ইয়াৰ পিছত সময়ৰ বৰ্দ্ধিত কৰণ নহ'ব। যদিহে সেই সমিতিয়ে বৰ্দ্ধিত সময়ৰ ভিতৰত দহ টকা জৰিমনাসহ সকলোবোৰ দিবলগীয়া ধন আদায় দিবলৈ সমৰ্থ নহয়। বাকী আদায় দিবলগীয়া তাৰিখৰ পিছৰ পৰা সেই সদস্য পদ নাইবা অন্তৰ্ভুক্তিকৰণ উঠাই লোৱা হ'ব।

৬। বিশেষ সাধাৰণ সভা ঃ কোনো বিশেষ পৰিস্থিতিৰ উদ্ভৱ হ'লে নাইবা অতি কমেও ১০ খন জিলা সমিতিয়ে উদ্দেশ্য নির্দ্দেশ কৰি যুটীয়া আবেদন জনালে সদৌ অসম পথাৰ পৰিচালনা সমিতিৰ কাৰ্য্য নির্বাহকৰ বিশেষ সাধাৰণ সভা আহ্বান কৰিব পাৰিব। এনে সভা সমিতিৰ মুখ্য কাৰ্য্যালয়ত অনুষ্ঠিত কৰিব লাগিব। দাবী উত্থাপিত হ'লে সদৌ অসম পথাৰ পৰিচালনা সমিতিৰ সভাপতিয়ে দাবী উত্থাপন পত্ৰ গ্ৰহণৰ ৪৫ দিনৰ ভিতৰত বিশেষ সাধাৰণ সভা আহ্বান কৰিব লাগিব। ইয়াত উল্লেখ থকা চৰ্ত্ত মতেও যদি সভাপতি বা সচিবপ্রধানে দাবী গ্ৰহণৰ ৪৫ দিনৰ ভিতৰত সভা আহ্বান কৰিব নোৱাৰে তেনেহ'লে দাবী উত্থাপন কাৰীসকলৰ নিজাববীয়াকৈ সভা আহ্বান কৰাৰ অধিকাৰ থাকিব।

৭। বিশেষ সাধাৰণ সভা গঠন ঃ সদৌ অসম পথাৰ পৰিচালনা সমিতিয়ে আহ্বান কৰা নাইবা দাবী উত্থাপনৰ ক্ষেত্ৰত আহ্বান কৰা নাইবা দাবী দিয়া ধৰণে গঠিত হ'ব।
(ক) প্রতিখন জিলাৰ পৰা মনোনিত হৈ অহা সাধাৰণ অধিবেশনৰ প্রতিনিধিসকলেই সদস্য হ'ব।
(খ) সদৌ অসম পথাৰ পৰিচালনা সমিতিৰ কাৰ্য্যনির্বাহকৰ সদস্যসকলো উপস্থিত থাকিব লাগিব।

## ৮ ম অনুচ্ছেদ

১। সদৌ অসম পথাৰ পৰিচালনা সমিতিৰ কাৰ্য্যনির্বাহক সমিতিৰ কাৰ্য্য ক্রমণিকা ঃ
(ক) পথাৰ পৰিচালনা সমিতিসমূহৰ উদ্দেশ্যসমূহ ৰূপায়ণ কৰা।
(খ) সদৌ অসম পথাৰ পৰিচালনা সমিতিয়ে খণ্ড উন্নয়ন পৰ্য্যায়ৰ সমিতি আৰু অন্য সমিতিসমূহ সংগঠিত আৰু পুণৰগঠিত কৰা।
(গ) দান বৰঙণি আৰু প্ৰত্যেক পথাৰ পৰিচালনা সমিতিৰ প্রাথমিক সদস্য ভৰ্ত্তি মাচুল এক টকা গ্ৰহণ কৰা।
(ঘ) পথাৰ পৰিচালনা সমিতি সমূহৰ ব্যৱসায় পৰিচালিত কৰা।
(ঙ) সভা আহ্বান কৰা আৰু বাৰ্ষিক প্রতিবেদন আৰু পৰীক্ষিত হিচাপ উত্থাপন কৰা।
(চ) পথাৰ পৰিচালনা সমিতিসমূহৰ স্বাৰ্থৰ বাবে উপযোগী হোৱা সকলো ধৰণৰ কাৰ্য্য সম্পাদন কৰা।

২। বিষয়ববীয়া সকলৰ ক্ষমতা ঃ
(ক) সভাপতিৰ ক্ষমতা ঃ ৰাজ্যিক ও কর্ণধাৰ সমিতিত সভাপতিত্ব কৰিব।
(খ) সংগঠনৰ মুৰব্বী হিচাবে চৰকাৰী বেচৰকাৰী অনুষ্ঠানিক প্রতিনিধিত্বৰ ক্ষেত্ৰত প্রতিনিধিত্ব কৰিব পাৰিব।
(গ) সভাপতিৰ বিশেষ অসুবিধা হ'লে উপ-সভাপতিৰ মাজৰ পৰা যিকোনো এজনক মনোনীত কৰিব পাৰিব।
(ঘ) সভাপতিৰ মীমাংসা নিৰ্ণায়ক ভোট থাকিব।

৩। কাৰ্য্যনির্বাহক সমিতিৰ পৰিদৰ্শন সাপেক্ষে সচিব প্রধান বা সাধাৰণ সম্পাদকৰ কৰ্তব্য ঃ
(ক) কাৰ্য্যনির্বাহক সভা আহ্বানৰ জাননী সঠিক সময়ত জাৰি কৰা আৰু প্রয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা।
(খ) পথাৰ পৰিচালনা সমিতিৰ দৈনিক কাৰ্য্যক্রমণিকাৰ সম্বন্ধে যোগাযোগ অব্যাহত ৰখা।
(গ) আলোচনাৰ সকলো দিশ আৰু সিদ্ধান্ত কাৰ্য্য বিৰৰণীৰ বহীত লিপিবদ্ধ কৰি ৰখা।
(ঘ) পথাৰ পৰিচালনা সমিতিৰ সদস্য তালিকা বৰ্তমানলৈকে লিপিবদ্ধ কৰি ৰখা।
(ঙ) পথাৰ পৰিচালনা সমিতিসমূহপৰিদৰ্শন আৰু কাৰ্য্য সম্পাদনাৰ বিষয়ে অনুসন্ধান কৰা।
(চ) প্রয়োজন সাপেক্ষে সদৌ অসম পথাৰ পৰিচালনা সমিতিৰ ক্ষেত্ৰত সচিব প্রধানে জৰুৰী খৰচৰ ক্ষেত্ৰত সৰ্বাধিক ২০০০.০০ টকা হাতত ৰাখিব পাৰিব আৰু পৰৱৰ্তী কাৰ্য্যনির্বাহক সভাত অনুমোদন ল'ব লাগিব।

**৯ ম অনুচ্ছেদ**

১। পুঁজি আৰু খৰচ ঃ সদৌ অসম পথাৰ পৰিচালনা সমিতিৰ পুঁজি সভাপতি, সচিব প্ৰধানৰ যুটীয়া একাউন্টত (এ.চি.) ৰাষ্ট্ৰীয়কৃত বেংকত জমা হ'ব লাগিব। জিলা, উন্নয়ন খণ্ড আৰু গাওঁ পৰ্য্যায়ৰ সমিতি আৰু সকলো সমিতিয়ে সভাপতি / সম্পাদকৰ নামত ওপৰত উল্লেখিত ধৰণে বেংকত জমা থ'ব লাগিব। সভাপতি / সম্পাদকে নিৰ্দ্দিষ্ট কাৰ্য্যনিৰ্বাহক সমিতিৰ আগতীয়া অনুমোদন সাপেক্ষে জমা টকা খৰচ কৰিব পাৰিব।

২। পৰ্য্যালোচনা আৰু মতদান ঃ সভাৰ সকলোবোৰ বিষয়ত মতৰ সংখ্যাধিকৰ জৰিয়তে সিদ্ধান্ত লোৱা হ'ব। সভাপতিৰ সিদ্ধান্ত অনুসৰি হাত দাঙি মৌখিক বা গোপন বেলটৰ সহায়ত ভোটাধিকাৰ সাব্যস্ত কৰা হ'ব। ভোটৰ সমতাৰ ক্ষেত্ৰত সভাপতিয়ে দ্বিতীয়বাৰলৈ ভোট দিব পাৰিব। নাইবা সভাপতিৰ মত নিৰ্ণায়ক ভোটৰ দ্বাৰা সিদ্ধান্ত গ্ৰহণ কৰা হ'ব। ভূৱা ভোট গ্ৰহণযোগ্য নহ'ব।

**সংশোধন ঃ** সভাত উপস্থিত থকা দুই তৃতীয়াংশ সদস্যৰ সন্মতি সাপেক্ষে সংবিধান সংশোধন কৰা, পৰিদৰ্শন নাইবা সংবিধানত থকা কোনো ব্যৱস্থা নাকচ কৰাৰ ক্ষমতা সাধাৰণ সভাৰ থাকিব। নাইবা বাদ পৰাৰ ক্ষমতা থাকিব।

*বিঃ দ্ৰ ঃ ইং ২১-১১-২০০০ তাৰিখৰ সদৌ অসম পথাৰ পৰিচালনা সমিতিৰ তৃতীয় ৰাজ্যিক সাধাৰণ অধিবেশন গুৱাহাটীত এই সংশোধীত সংবিধান গ্ৰহণ কৰে।*